# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 27-04-2025

***Assamese Evening Bulletin***
***Headlines***

১।	কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই মহাৰাষ্ট্ৰৰ চত্ৰপতি চম্ভাজি নগৰৰ চৰকাৰী কৰ্কট চিকিৎসালয়ত শেহতীয়া সুবিধাযুক্ত টু বীম ইউনিট মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰে।

২।	উত্তৰাখণ্ড চৰকাৰে হেমকুণ্ড চাহিব আৰু বাৰ্ষিক চাৰিধাম তীৰ্থযাত্ৰাৰ বাবে পঞ্জীয়ন কৰা ৭৭ গৰাকী পাকিস্তানী নাগৰিকৰ পঞ্জীয়ন বাতিল কৰিছে।

৩।	ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল হোতা, বিশিষ্ট মহাকাশ বিজ্ঞানী তথা ইছৰোৰ প্ৰাক্তন অধ্যক্ষ ড০ কৃষ্ণস্বামী কস্তুৰীৰংগনৰ শেষকৃত্য আজি বেংগালুৰুত ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হৈছে। ***আৰু***

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাই ইণ্ডিয়ানছে-লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক জয়ৰ বাবে ২১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০

কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত দেশে প্ৰভূত অগ্ৰগতি লাভ  কৰিছে। কৰ্কট ৰোগ শীঘ্ৰে ধৰা পেলোৱা আৰু দেশৰ বিভিন্ন অংশত কৰ্কট ৰোগৰ চিকিৎসা কেন্দ্ৰ স্থাপন কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ বাবেই এই পৰিৱৰ্তন দেখা গৈছে। আজি মহাৰাষ্ট্ৰৰ চত্ৰপতি চম্ভাজি নগৰৰ চৰকাৰী কৰ্কট চিকিৎসালয়ত শেহতীয়া সুবিধাযুক্ত টু বীম ইউনিট মুকলি তথা কৰ্কট প্ৰতিষ্ঠানখনৰ সম্প্ৰসাৰিত খণ্ডৰ মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই এইকথা প্ৰকাশ কৰে।

দ্যা লানচেট নামৰ এখন চিকিৎসা আলোচনীয়ে দাঙি ধৰা তথ্যৰ উদ্ধৃতিৰে মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰী প্ৰচেষ্টাৰ জৰিয়তে দেশৰ ৯০ শতাংশ কৰ্কট ৰোগীয়ে ৰোগ চিনাক্তকৰণৰ এমাহৰ ভিতৰত চিকিৎসা আৰম্ভ কৰাৰ সুযোগ লাভ কৰিছে। এই তথ্য আন্তৰ্জাতিকভাৱে স্বীকৃত। কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে নতুনকৈ সংযোজিত টু বীম ব্যৱস্থাৰ জৰিয়তে ৰোগীসকলে অধিক ফলপ্ৰসূ চিকিৎসা লাভ কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। কৰ্কট ৰোগৰ চিকিৎসাৰ ব্যয় ৫ লাখ টকালৈকে বিনামূলীয়াকৈ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আগবঢ়োৱা হ'ব বুলি তেওঁ সদৰি কৰে। দেশজুৰি ৭৮০ খন চিকিৎসা মহাবিদ্যালয়ত কাম-কাজ অব্যাহত আছে বুলি সদৰি কৰি তেওঁ কয়, যে চিকিৎসা বিজ্ঞানৰ শিক্ষা তথা স্বাস্থ্য সেৱাৰ সুবিধাৰ বাবে পুঁজিৰ অভাৱ নোহোৱাটো সুনিশ্চিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীনাড্ডাই দেশজুৰি এক লাখ ৭৫ হাজাৰখন আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হোৱা বুলিও প্ৰকাশ কৰে। এই কেন্দ্ৰসমূহৰ জৰিয়তে  মুখমণ্ডল আৰু স্তনৰ কৰ্কট ৰোগকে ধৰি কৰ্কট

ৰোগৰ আগতীয়া পৰীক্ষণৰ জৰিয়তে সময়মতে এই ৰোগ ধৰা পেলোৱা তথা চিকিৎসা আৰম্ভ কৰাত সহায় হোৱা বুলিও তেওঁ উল্লেখ কৰে। পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত স্বাস্থ্য সেৱাৰ বাবে ৭ হাজাৰ কোটি টকা মঞ্জুৰ কৰা হোৱা বুলিও তেওঁ উল্লেখ কৰে। আয়ুষ্মান ভাৰত স্বাস্থ্য বীমা আঁচনিৰ জৰিয়তে জ্যেষ্ঠ নাগৰিককে ধৰি ৬০ কোটি নাগৰিকে ৫ লাখ টকালৈকে বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰি আছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিছে। আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ১২১ সংখ্যক খণ্ডত দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে যোৱা ২২ এপ্ৰিলত হোৱা এই আক্ৰমণ কাপুৰুষালীমূলক আৰু এই আক্ৰমণৰ উচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি সকিয়াই দিয়ে। কাশ্মীৰ উপত্যকাত শান্তি ঘুৰি অহা, দেশত গণতন্ত্ৰ শক্তিশালী হোৱা আৰু কাশ্মীৰৰ ভূমিত পৰ্যটক বৃদ্ধি হোৱাৰ বাবে ভাৰত তথা কাশ্মীৰৰ শত্ৰুসকল আনন্দিত হোৱা নাছিল বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদৰ মূল পৰিকল্পনাকাৰীসকলে কাশ্মীৰক পুনৰ ধবংস কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল। শ্ৰীমোদীয়ে এই সন্ত্ৰাসবাদৰ বিৰুদ্ধে দেশৰ জনতা একগোট হোৱাৰ লগতে বিশ্বৰ ১৪০ খন দেশে ভাৰতৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাটোৱে এটা ডাঙৰ উপলব্ধি বুলি অভিহিত কৰে।

দুদিন পূৰ্বে দেহাৱসান ঘটা ইছৰোৰ প্ৰাক্তন অধ্যক্ষ ড০ কে কস্তুৰীৰংগনৰ স্মৃতি সুঁৱৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশে এগৰাকী মহান বিজ্ঞানীক হেৰুৱালে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এই মাহতে ভাৰতে আৰ্যভট্ট উপগ্ৰহ উৎক্ষেপন কৰাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আনন্দ প্ৰকাশ কৰে। ভাৰতে ১০৪ টা উপগ্ৰহ উৎক্ষেপন কৰাটো তেওঁ গৌৰৱৰ বিষয়ে বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে চন্দ্ৰৰ দক্ষিণ মেৰুত অৱতৰণ কৰা ভাৰত হৈছে বিশ্বৰ প্ৰথমখন দেশ। ভাৰতে মহাকাশ খণ্ডক ব্যক্তিগত খণ্ডৰ বাবেও মুকলি কৰি দিছে বুলি উল্লেখ কৰে। এই সন্দৰ্ভত মহাকাশ ষ্টাৰ্ট আপৰ যোগেৰে নতুন নতুন গৱেষণা আৰু অভিযানৰ বাবে যুৱ প্ৰজন্মৰ ভালেসংখ্যকে আগবাঢ়ি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। ভাৰতে গগনযান, স্পেডেক্স আৰু চন্দ্ৰয়ান-ফ'ৰ আদিৰ দৰে বহু গুৰুত্বপূৰ্ণ অভিযানৰ প্ৰস্তুতিত ব্যস্ত থকা বুলিও তেওঁ উল্লেখ কৰে।

বিগত মাহত ম্যানমাৰত হোৱা বিধবংসী ভূমিকম্পৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতে অপাৰেশ্বন ব্ৰহ্মাৰ জৰিয়তে তাৎক্ষণিকভাৱে দেশখনলৈ সাহায্য সামগ্ৰী পঠোৱাৰ লগতে উদ্ধাৰ অভিযানতো সহায় কৰিছে। ভাৰতে আফগানিস্তানলৈ বৃহৎ পৰিমাণৰ প্ৰতিষেধক টীকা পঠিওৱাৰ কথা উল্লেখ কৰি তেওঁ লগতে কয় যে এই সপ্তাহতে ভাৰতে নেপালৰ অনুৰোধত দেশখনলৈ যথেষ্ট পৰিমাণৰ প্ৰতিষেধক টীকা পঠিয়াইছে। বান, ধুমুহা, ভূমিস্খলন, চুনামি, বনজুই আদি যিকোনো প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জনসাধাৰণৰ সহায় হোৱাকৈ সচেত এপ মুকলি কৰাৰ কথাও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

০০০০

উত্তৰাখণ্ড চৰকাৰে হেমকুণ্ড চাহিব আৰু বাৰ্ষিক চাৰিধাম তীৰ্থযাত্ৰাৰ বাবে পঞ্জীয়ন কৰা ৭৭ গৰাকী পাকিস্তানী নাগৰিকৰ পঞ্জীয়ন বাতিল কৰিছে। পৰ্যটন আৰু সাংস্কৃতিক ৰাজ্যমন্ত্ৰী সৎপাল মহাৰাজে শীঘ্ৰে বলবৎ হোৱা এই সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰে। তেওঁ কয় যে পৰ্যটন আৰু সন্ত্ৰাসবাদ সমান্তৰালকৈ আগবাঢ়িব নোৱাৰে। তেওঁ এই সন্দৰ্ভত চৰকাৰৰ স্থিতি স্পষ্ট কৰে। সকলো ভক্তৰ বাবে নিৰাপদ আৰু আধ্যাত্মিক অভিজ্ঞতা সুনিশ্চিত

কৰাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা তেওঁ দোহাৰে। মন্ত্ৰীগৰাকীয়ে চাৰিধাম যাত্ৰাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলিও সদৰি কৰিছে। ১৮৫ খন দেশৰ ২৫ হাজাৰতকৈ অধিক আন্তৰাষ্ট্ৰীয় তীৰ্থযাত্ৰীকে ২২ লাখতকৈ অধিক ভক্তই অনলাইন পদ্ধতিৰে এই যাত্ৰাৰ বাবে নাম পঞ্জীয়ন কৰিছে। তীৰ্থযাত্ৰাকালত অকৰ্তৃত্বশীলভাৱে গাড়ী ৰোৱা স্থানৰ মাচুল আদায় কৰা তথা হেলিকপ্তাৰৰ টিকটৰ ক'লা বজাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে চৰকাৰে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। এই যাত্ৰাৰ বাবে অফলাইন পঞ্জীয়ন কাইলৈ আৰম্ভ হোৱাৰ কথা। এই উদ্দেশ্যে ইতিমধ্যে হৰিদ্বাৰ, ঋষিকেশ, বিকাশ নগৰ আৰু হাৰ্বাৰপুৰত তীৰ্থযাত্ৰীসকলৰ সাহায্যৰ বাবে বিশেষ কেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল হোতা, বিশিষ্ট মহাকাশ বিজ্ঞানী তথা ইছৰোৰ প্ৰাক্তন অধ্যক্ষ ড০ কৃষ্ণস্বামী কস্তুৰীৰংগনৰ শেষকৃত্য আজি বেংগালুৰুত ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হৈছে। ৮৪ বছৰীয়া ড০ কস্তুৰীৰংগনৰ যোৱ শুকুৰবাৰে বেংগালুৰুত দেহাৱসান ঘটে। তেঁওৰ শৰদেহত আজি ৰমন গৱেষণা প্ৰতিষ্ঠানত অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰা হয়। ৰাজ্যপাল থাৱৰচান্দ গেহলট, মুখ্যমন্ত্ৰী চিদ্দাৰামায়া, ইছৰোৰ অধ্যক্ষ ভি নাৰায়ণনকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে সদ্যপ্ৰয়াত বিজ্ঞানীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০

সেনা বাহিনীক অত্যাধুনিক কৰি তোলাৰ বাবে চৰকাৰে এটা বেংক একাউণ্ট মুকলি কৰা বুলি বিভিন্ন সামাজিক মাধ্যমত বিয়পি পৰা এটা বাৰ্তা ভুৱা বুলি চৰকাৰে প্ৰকাশ কৰিছে।  প্ৰেছ ইনফৰমেশ্বন ব্যুৰোৰ সত্যতা নিৰূপন গোটে এই বাৰ্তাটো বিভ্ৰান্তিকৰ বুলি সদৰি কৰিছে। কোনো সামৰিক অভিযানৰ সময়ত নিহত অথবা আহত হোৱা সেনাৰ পৰিয়াললৈ ততালিকে বিত্তীয় সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে চৰকাৰে সশস্ত্ৰ বাহিনী যুদ্ধত ক্ষতিগ্ৰস্তসকলৰ কল্যাণ পুঁজি - এ এফ বি চি ডব্লিঅ' এফ মুকলি কৰিছে। এই পুঁজিৰ জৰিয়তে যুদ্ধত হতাহত হোৱা সেনা জোৱান তথা তেওঁৰ পৰিয়ালৰ লোকসকলক সাহায্য দিয়াৰ ব্যৱস্থা কৰা হৈছে। অস্ত্ৰ-শস্ত্ৰ ক্ৰয় তথা সেনা বাহিনীৰ আধুনিকীকৰণৰ বাবে  এই পুঁজি মুকলি কৰা হোৱা নাই বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০

বিজেপি নেতা প্ৰদীপ ভাণ্ডাৰীয়ে পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত কংগ্ৰেছে পাকিস্তানক সমৰ্থন কৰাৰ লগতে ৰাজনীতি কৰা বুলি অভিযোগ তুলিছে। শ্ৰীভাণ্ডাৰীয়ে আজি নতুন দিল্লীত কয়, যে কংগ্ৰেছৰ বিবৃতিয়ে সন্ত্ৰাসবাদৰ বলি হোৱাসকলক অপমান কৰিছে। কৰ্ণাটকৰ কংগ্ৰেছৰ নেতাসকলে বিবৃতিত সন্ত্ৰাসবাদীয়ে ধৰ্মৰ বিষয়ে সোধা নাই বুলি উল্লেখ কৰাৰ বিষয়টো তেওঁ উত্থাপন কৰে। এয়া ৰাজনীতিৰ সময় নহয় বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে এই সময়ত দেশ একত্ৰিত হৈ পাকিস্তানক যোগ্য প্ৰত্যুত্তৰ দিয়া উচিত।

০০০০

বিশ্বৰ ৰোমান কেথলিক গীৰ্জাঘৰৰ মুৰবী পোপ ফ্ৰান্সিছৰ শেষকৃত্য সম্পন্ন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি নতুন দিল্লীত উপস্থিত হৈছে। ৰোমৰ শান্তা মাৰিয়া মেইগিগোৰ বেচিলিকাত কালি ৰাষ্ট্ৰপতিগৰাকীয়ে পোপ ফ্ৰান্সিছক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।  শ্ৰীমতী মুৰ্মুৰ সৈতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, সংখ্যালঘু পৰিক্ৰমা ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ান, গোৱা বিধানসভাৰ উপাধ্যক্ষ যশোৱা দে' চুজা উপস্থিত থাকে। বিভিন্ন ৰীতি নীতিৰে সম্পন্ন হোৱা প্ৰায় দুঘণ্টাযোৱা এই শেষকৃত্য কাৰ্যসূচীত বিশ্বৰ ভালেকেইগৰাকী ৰাষ্ট্ৰপ্ৰধানসহ আঢ়ৈ লাখৰো অধিক

লোকে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে যোৱা ২১ এপ্ৰিলত পোপ ফ্ৰান্সিছৰ দেহাৱসান ঘটিছিল। পোপ ফ্ৰান্সিছৰ প্ৰতি সন্মান জনাই ভাৰতে ৩ দিনীয়া ৰাষ্ট্ৰশোক পালন কৰিছিল।

oooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক জয়ৰ বাবে ২১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২১৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ৰায়ন ৰিকেল্টনে ৫৮, সূৰ্য কুমাৰ যাদৱে ৫৪, উইল জেকছে ২৯ আৰু নমন ধীৰে ২৫ ৰাণৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ হৈ মায়ংক যাদৱ আৰু আভেশ খানে দুটাকৈ দখল কৰে।

প্ৰত্যুত্তৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ১৮ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ১৫৫ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

কিছুসময়ৰ পাছত দিল্লীত হ'বলগীয়া আজিৰ দ্বিতীয়খন খেলত ডেলহী কেপিটেলছ-ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হৈছে। খেলখনত টছত জিকি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বলিঙৰ সিদ্ধান্ত লয়।

oooo

ঃঃ সমাপ্ত ঃঃ